
অধ্যায় ৭

# জাতীয়তাবাদ *(Nationalism)*




এই অধ্যায়টিত জাতীয়তাবাদ আৰু জাতিৰ বিষয়ে আলোচনা কৰা হ'ব। অৱশ্যে জাতীয়তাবাদৰ উৎপত্তিৰ কাৰণ বা ইয়াৰ কাৰ্যকলাপৰ বিষয়ে আলোচনা কৰাতকৈ জাতীয়তাবাদ কি, ইয়াৰ দাবী আৰু আশা আকাংক্ষা (Claims and aspirations) সমূহৰ বিষয়ে আলোচনাহে ইয়াত মুখ্য হ'ব। এই অধ্যায়টি পঢ়াৰ পাচত তোমালোকে তলত দিয়া বিষয়সমূহৰ বিষয়ে জানিব পাৰিবা।

- ❒ জাতি আৰু জাতীয়তাবাদ
- ❒ জাতীয়তাবাদৰ গুণ আৰু দোষ
- ❒ গণতন্ত্ৰ আৰু জাতীয়তাবাদৰ মাজত যোগসূত্ৰ স্থাপনৰ আৱশ্যকতা।

# ৰাজনৈতিক তত্ত্ব

### ৭.১ জাতীয়তাবাদৰ চিনাকী (Introducing Nationalism)

জাতীয়তাবাদ বুলিলে সাধাৰণতে কি বুজায় তাৰ এটা সমীক্ষা চলালে সম্ভাব্য উত্তৰসমূহ হ'ব দেশপ্ৰেম, জাতীয় পতাকা, দেশৰ বাবে কৰা ত্যাগ ইত্যাদি। দিল্লীত অনুষ্ঠিত হোৱা গণৰাজ্য দিৱসৰ পেৰেড ভাৰতীয় জাতীয়তাবাদৰ এটা উৎকৃষ্ট উদাহৰণ। ই ক্ষমতাৰ অনুভৱ (Sense of power) শক্তি (Strength) তথা ভাৰতীয় জাতিৰ লগত জড়িত বৈচিত্ৰ্যসমূহ প্ৰতিফলিত কৰে, গভীৰভাৱে চিন্তা কৰিলে আমি জাতীয়তাবাদৰ স্পষ্ট আৰু সৰ্বসন্মত সংজ্ঞা পোৱাটো কঠিন হৈ পৰে, কিন্তু বিশ্বৰ কামকাজত ইয়াৰ অপৰিসীম গুৰুত্বপূৰ্ণ ভূমিকালৈ চাই আমি ইয়াক অধ্যয়ন কৰা উচিত।

যোৱা দুটা শতিকাত ইতিহাসৰ গতি নিৰ্ণয় কৰা উপাদান সমূহৰ ভিতৰত জাতীয়তাবাদ হৈছে সবাতোকৈ শক্তিশালী ৰাজনৈতিক সিদ্ধান্ত (Political Creeds)। ই গভীৰ আনুগত্য আৰু প্ৰচণ্ড ঘৃণা দুয়োটাৰে জন্ম দিয়ে। ই মানুহক যেনেদৰে একত্ৰিত কৰে তেনেদৰে তেওঁলোকৰ মাজত বিভাজনৰো সৃষ্টি কৰে। ই মানুহক অত্যাচাৰী শাসনৰ পৰা যিদৰে মুক্ত কৰিছিল তেনেদৰে ই সংঘৰ্ষ, তিক্ততা আৰু যুদ্ধৰো কাৰণ হিচাপে চিহ্নিত হৈছিল। ৰাজ্য আৰু সাম্ৰাজ্য বিলাকৰ ভাঙোনৰ ইও এক উপাদান। জাতীয়তাবাদী সংগ্ৰামে ৰাজ্য আৰু সাম্ৰাজ্যৰ নতুন সীমা নিৰ্ধাৰণ কৰাত অৰিহণা যোগাই আহিছে। বৰ্তমান পৃথিৱীখন বিভিন্ন জাতি ৰাষ্ট্ৰ (Nation State)ত বিভক্ত। অৱশ্যে ৰাষ্ট্ৰৰ পুনৰ গঠন প্ৰক্ৰিয়া চলিয়েই আছে আৰু ৰাষ্ট্ৰৰ ভিতৰত বিচ্ছিন্নতাবাদী সংগ্ৰাম গতানুগতিক হৈ পৰিছে।


জাতীয়তাবাদে বিভিন্ন পৰ্য্যায় অতিক্ৰম কৰি আহিছে। উদাহৰণ স্বৰূপে, উনৈশ শতিকাৰ ইউৰোপ মহাদেশত ই সৰু সৰু ৰাজ্য একত্ৰীকৰণ কৰি বৃহত্তৰ ৰাজ্য গঠনত সহায় কৰিছিল। বৰ্তমান সময়ৰ জাৰ্মানী আৰু ইটালীৰ ৰাজ্যসমূহ এইদৰে সৃষ্টি হৈছিল। লেটিন আমেৰিকাতো এইদৰে এক বৃহৎ সংখ্যক নতুন ৰাষ্ট্ৰৰ সৃষ্টি হৈছিল। সীমা দৃঢ়কৰণ (Consolidation)ৰ লগে লগে স্থানীয় উপভাষা (dialects) আৰু স্থানীয় নিষ্ঠা লাহে লাহে ৰাজ্যিক আনুগত্য (State loyalties) আৰু উমৈহতীয়া ভাষালৈ বিকশিত কৰা হৈছিল। জাতীয় ৰাষ্ট্ৰৰ সদস্য হিচাপে নতুন ৰাষ্ট্ৰসমূহৰ জনসাধাৰণে এটা নতুন ৰাজনৈতিক পৰিচয় লাভ কৰিছিল। যোৱা

শতিকাৰ আগৰে পৰা আমাৰ ভাৰততো আমি এনে ধৰণৰ একত্ৰীকৰণ বা দৃঢ়ীকৰণ প্ৰক্ৰিয়া দেখিবলৈ পাইছোঁ।

কুৰি শতিকাৰ আগভাগত জাতীয়তাবাদে ইউৰোপত অষ্ট্ৰিয়া হাঙ্গেঁৰি আৰু ৰুছ সাম্ৰাজ্যৰ দৰে বৃহৎ সাম্ৰাজ্যৰ ভাঙোনত অৰিহণা যোগাইছিল। এচিয়া আৰু আফ্ৰিকা মহাদেশতো বৃটিছ, ফৰাছী, ডাচ্ আৰু পৰ্তুগীজ সাম্ৰাজ্যৰ ভাঙোনৰ কাৰণ এই জাতীয়তাবাদেই। বিদেশী শাসনৰ পৰা মুক্ত হৈ জাতীয় ৰাষ্ট্ৰ হিচাবে প্ৰতিষ্ঠা হ'বলৈ ভাৰত আৰু পূৰ্বৰ অন্যান্য উপনিবেশসমূহত যি জাতীয়তাবাদী সংগ্ৰাম হৈছিল, তাৰ মূলতো আছিল জাতীয়তাবাদৰ ধাৰণা।

ৰাষ্ট্ৰসমূহৰ সীমা পুনৰ নিৰ্ধাৰণ এতিয়াও চলিয়েই আছে। ১৯৬০ চনৰে পৰা আপাততঃ সুস্থিৰ জাতীয় ৰাষ্ট্ৰও সুকীয়া ৰাষ্ট্ৰৰ দাবী সম্বলিত হব পৰা দলীয় বা আঞ্চলিক জাতীয়তাবাদী দাবীৰ সন্মুখীন হৈছে। প্ৰচলিত ৰাষ্ট্ৰসমূহৰ বিভাজনৰ ভাবুকিৰে বিশ্বৰ বিভিন্ন প্ৰান্তত আজি আমি এনে ধৰণৰ জাতীয়তাবাদী আন্দোলন দেখা পাইছোঁ। কানাডাৰ কিউবেক, উত্তৰ স্পেইনৰ Basques বাস্কস, তুৰ্কী আৰু ইৰাকৰ কুৰ্ডসকল আৰু শ্ৰীলঙ্কাৰ তামিলসকলৰ মাজত এনে বিচ্ছিন্নতাবাদী আন্দোলন গঢ়ি উঠিছিল। ভাৰতৰো কিছুমান গোটে (group) জাতীয়তাবাদৰ কথা কয়। আৰব জাতীয়তাবাদে আৰব দেশসমূহক নিখিল আৰব সংঘ Pan Arab Nation লৈ ঐক্যবদ্ধ কৰাৰ আশা থাকিলেও বাস্কস বা কুৰ্ডসকলে কৰা বিচ্ছিন্নতাবাদী আন্দোলনে প্ৰচলিত ৰাষ্ট্ৰসমূহক বিভাজন হে কৰিব।

বৰ্তমানো বিশ্বত জাতীয়তাবাদ এটা বলিষ্ঠ শক্তি বুলি আমি মানি ল'ব পাৰোঁ। কিন্তু জাতি বা জাতীয়তাবাদৰ উপযুক্ত সংজ্ঞা দিয়াটোহে বৰ কঠিন কাম। জাতি মানেনো কি? মানুহে কিয় জাতি গঠন কৰে? জাতিৰ কাৰণে সকলো ত্যাগ কৰিবলৈ আনকি মৰিবলৈকো মানুহ কিয় প্ৰস্তুত? ৰাষ্ট্ৰত্বৰ (Statehood) দাবীৰ লগত জাতিসত্বা (nationhood) ৰ দাবী কেনেকৈ সাঙোৰ খাই আছে? জাতিসমূহৰ ৰাষ্ট্ৰ বা জাতীয় স্ব নিয়ন্ত্ৰণৰ অধিকাৰ থকা উচিতনে?নে সুকীয়া ৰাষ্ট্ৰৰ দাবী মানি নলৈও জাতীয়তাবাদৰ দাবী মানি ল'ব পাৰি? এই অধ্যায়ত আমি এনে কিছুমান বিষয় সামৰি ল'ম।




### ৭.২ জাতি আৰু জাতীয়তাবাদ (Nations and Nationalism)

জাতি মানে কেৱল জনসমষ্টি নহয়। আনহাতে মানৱ সমাজত থকা অন্যান্য গোট (Group) বা সম্প্ৰদায় (Community) ৰ পৰাও ই পৃথক। ই পৰিয়ালতকৈও বেলেগ। পৰিয়াল প্ৰতিজন সদস্যৰ মুখামুখি সম্বন্ধৰ ওপৰত প্ৰতিষ্ঠিত আৰু তেওঁলোকৰ এজনে আনজনৰ বিষয়ে জানে। ই উপজাতি (tribe) Clan (গোষ্ঠী) বা অন্যান্য গোষ্ঠীগত দল ( ? ) (Kinship group) ৰ পৰাও পৃথক। এনেবোৰ ক্ষেত্ৰত বৈবাহিক সম্বন্ধ বা বংশোদ্ভৱ (descent) ৰ দ্বাৰা সদস্যসকল জড়িত হৈ থাকে যাতে প্ৰয়োজন হলে ব্যক্তিগতভাৱে সকলো সদস্যকে নাজানিলেও আমাৰ মাজত থকা পাৰস্পৰিক সম্পৰ্কৰ আমি আঁত ধৰিব পাৰোঁ। কিন্তু জাতিৰ সদস্য হিচাপে আমি আমাৰ বেছিভাগ সহ দেশবাসীকে নাজানো বা তেওঁলোকৰ লগত আমাৰ কোনো বংশগত বান্ধোন থকাৰো প্ৰয়োজন নাই। তথাপি জাতিৰ অস্তিত্ব আছে আৰু ৰাষ্ট্ৰৰ সদস্যসকলে ইয়াক গুৰুত্ব দিয়ে।

সাধাৰণতে ভবা হয় যে জাতি এনে এদল মানুহে গঠন কৰে যাৰ উমৈহতীয়া বংশ, ভাষা, ধৰ্ম বা জাতীয়তা (ethnicity) ৰ দৰে কিছুমান বৈশিষ্ট্য থাকে। কিন্তু প্ৰকৃততে সকলো জাতিৰ মাজত একে ধৰণৰ বৈশিষ্ট্য নাথাকে। বহুতো জাতিৰ উমৈহতীয়া ভাষা নাথাকে, যেনে— কানাডা। কানাডাত ইংৰাজী ভাষী আৰু ফৰাচীভাষী লোকো আছে। ভাৰততো বিভিন্ন অঞ্চলত আৰু বিভিন্ন সম্প্ৰদায়ৰ মাজত বহুতো ভাষা ভাষী লোক আছে।বহুতো জাতিৰ মাজত ঐক্য সৃষ্টিৰ বাবে উমৈহতীয়া ধৰ্ম নাই। জাতি (Race) বা descent (বংশ) ৰ  ক্ষেত্ৰতো সেই একে কথাই খাটে।


তেন্তে জাতি কিহে গঠন কৰে? আচলতে জাতি বহু পৰিমাণে এক ‘কাল্পনিক’ সমাজ। ই সামূহিক বিশ্বাস, আশা আকাংক্ষা আৰু সদস্যসকলৰ কল্পনাৰে বান্ধ খাই থাকে। ই জনসাধাৰণে নিজৰ পৰিচয়ৰ লগত একাত্মবোধ কৰা সমষ্টিগত মুঠ (Collective whole) ৰ কিছুমান ধাৰণাৰ ওপৰত প্ৰতিষ্ঠিত। এতিয়া আমি জাতিৰ বিষয়ে থকা মানুহৰ এনে কিছুমান ধাৰণাৰ বিষয়ে বুজিবলৈ চেষ্টা কৰিম।

**আমি কৰো আহা**

তোমাৰ ভাষাত থকা দেশ প্ৰেমমূলক গীত বাছি উলিওৱা। এই গীতটিত জাতিক কেনেকৈ বৰ্ণনা কৰা হৈছে? তোমাৰ ভাষাৰ কোনো দেশ প্ৰেমমূলক বোলছবি চোৱা। ইয়াত জাতীয়তাবাদক কেনেকৈ দেখুওৱা হৈছে আৰু এই ছবিবোৰত ইয়াৰ আকৃতি(Complexity) কেনেদৰে কাৰ্য্যকৰী হৈছে?

## উমৈহতীয়া বিশ্বাস (Shared Beliefs)

প্ৰথম কথা হ’ল, এটা জাতি বিশ্বাসৰ দ্বাৰা গঠিত হয়। জাতি পৰ্বত, নদী বা ঘৰ চোৱাৰ দৰে চাব বা অনুভৱ কৰিব নোৱাৰি। মানুহৰ জাতিৰ প্ৰতি থকা বিশ্বাসৰ পৰা ইয়াক বেলেগ কৰি চাব নোৱাৰি। জাতি বুলিলে কেৱল ইয়াৰ শাৰীৰিক বৈশিষ্ট্যকে (Physical Characteristics) নুবুজায়। বৰং ই স্বাধীন ৰাজনৈতিক অস্তিত্বৰ আকাংক্ষা থকা কিছুমান মানুহৰ সমূহীয়া পৰিচয় আৰু দৃষ্টিৰ (identity and vision) কথাহে বুজায়। সেইফালৰ পৰা চালে, জাতিক দলৰ লগত তুলনা কৰিব পাৰি।




আমি যেতিয়া এটা দলৰ (Team) কথা কওঁ আমি এনে কিছুমান মানুহৰ কথা কওঁ যি একেলগে কাম কৰে বা খেলে আৰু তাতোকৈ ডাঙৰ কথা, তেওঁলোকে নিজকে এটা সমূহীয়া গোট বুলি ভাবে। অন্যথাই তেওঁলোক দল হ’ব নোৱাৰে আৰু এটা সমূহীয়া খেল খেলা বা এটা কাম কৰা বেলেগ বেলেগ মানুহ হে হ’ব।এটা জাতি তেতিয়াহে গঠন হয় যেতিয়া ইয়াৰ সদস্য সকলে নিজকে একগোট বুলি ভাবে।

## ইতিহাস (History)

দ্বিতীয়তে, নিজকে জাতি বুলি ভবা মানুহে, অহৰহ ঐতিহাসিক অস্তিত্বৰ কথা ভাবে অৰ্থাৎ জাতিয়ে অতীত তথা ভৱিষৎ দুয়োটাতে বিচৰণ কৰে। সমূহীয়া স্মৃতি, কিম্বদন্তী, ঐতিহাসিক অভিলেখ আদিৰ দ্বাৰা তেওঁলোকে নিজস্ব ইতিহাস ৰচনা কৰে। সেই বাবেই ভাৰতীয় জাতীয়তাবাদীসকলে পুৰণি সভ্যতা, সাংস্কৃতিক ঐতিহ্য আৰু অন্যান্য সফলতাৰ দোহাই দি ভাৰতৰ দীৰ্ঘদিনীয়া সভ্যতাৰ ইতিহাস আৰু ভাৰতীয়সকলৰ একতাৰ ইতিহাসৰ ভিত্তিত ভাৰতীয় জাতি গঠন হোৱা বুলি দাবী কৰিছিল। উদাহৰণ স্বৰূপে, জৱাহৰলাল নেহৰুৱে তেওঁৰ The Discovery of India নামৰ গ্ৰন্থত লিখিছিল, 'বাহিৰৰ পৰা দেখাত যদিও আমাৰ জনসাধাৰণৰ মাজত অলেখ প্ৰকাৰৰ মানুহ আছিল, যি কোনো ৰাজনৈতিক ভাগ্য বা দুৰ্ভাগ্যৰ সময়ত একতাৰ ডোলেৰে আমাক সদায় বান্ধি ৰাখিছিল।'

## নিৰ্দিষ্ট ভূখণ্ড (Territory)

তৃতিয়তে, জাতি বুলিলে কোনো এক নিৰ্দিষ্ট পৰিসীমা বা ভূখণ্ডক বুজায়। বহুদিন ধৰি একে ঠাইতে থকা, একেই ইতিহাস থকা মানুহৰ মাজত সমূহীয়া পৰিচয়ৰ মনোভাৱ গা কৰি উঠে। তেওঁলোকে নিজকে এক বুলি ভাবিবলৈ শিকে। সেয়েহে, জাতি হিচাবে থকা মানুহেগৃহভূমি বিচৰাত আচৰিত হবলগীয়া একো নাই। তেওঁলোকৰ বাবে নিজে থকা ঠাইখনৰ বিশেষ তাৎপৰ্য থকা বাবে তেওঁলোকে ইয়াক নিজৰ বুলি দাবী কৰে। অৱশ্যে জাতিয়ে নিজৰ গৃহভূমিক বিভিন্ন ধৰণে নামাকৰণ কৰে। যেনে— মাতৃভূমি, পিতৃভূমি অথবা পৱিত্ৰ ভূমি। পৃথিৱীৰ বিভিন্ন অংশত সিঁচৰিত হৈ থকা সত্বেও ইহুদীসকলে পেলেষ্টাইনক তেওঁলোকৰ স্বৰ্গ, তশ্ৰুত, প্ৰকৃত গৃহভূমি বুলি দাবী কৰিছিল। ভাৰতীয় জাতিয়ে ভাৰত উপমহাদেশখনত থকা নদী, পৰ্বত আৰু আন অঞ্চলসমূহৰ লগত আত্মীয়তা অনুভৱ কৰে। অৱশ্যে যিহেতু একেখিনি ভূমিকে এটাতকৈ বেছি দলীয় গোটে দাবী কৰিব পাৰে, গৃহভূমিৰ দাবী পৃথিৱীত হৈ থকা সংঘৰ্ষৰ এক মূখ্য কাৰণ হৈ পৰিছে।

## উমৈহতীয়া ৰাজনৈতিক আদৰ্শ (Shared Political Ideals)

চতুৰ্থতে, নিৰ্দিষ্ট ভূখণ্ড আৰু উমৈহতীয়া ইতিহাসে একতাৰ সৃষ্টি কৰাৰ বিপৰীতে উমৈহতীয়া ভৱিষ্যৎ আৰু ৰাজনৈতিক স্বতন্ত্ৰতাৰ উমৈহতীয়া আকাংক্ষাই জাতিৰ পৰা দল (group) ক পৃথক কৰি ৰাখে, জাতিয়ে তেওঁলোকে গঠন কৰিব খোজা ৰাষ্ট্ৰৰ কাল্পনিক প্ৰতিমূৰ্ত্তি ভগাই লয়। অন্যান্য কথাৰ লগতে তেওঁলোকে গণতন্ত্ৰ, ধৰ্মনিৰপেক্ষতা আৰু উদাৰনৈতিকতাবাদৰ লেখিয়া নীতিসমূহ সুনিশ্চিত কৰে। এই আদৰ্শসমূহক সৰোগত কৰি তেওঁলোকে একগোট হয় আৰু একেলগে থাকিব বিচাৰে। অন্য কথাত, ই জাতি হিচাপে তেওঁলোকৰ ৰাজনৈতিক পৰিচয় (identity) প্ৰতিনিধিত্ব কৰে।

গণতন্ত্ৰত, কিছুমান ৰাজনৈতিক প্ৰমূল্য আৰু আদৰ্শৰ প্ৰতি সমৰ্পণেই হৈছে ৰাজনৈতিক সমাজ বা জাতীয় ৰাষ্ট্ৰৰ আটাইতকৈ বাঞ্ছনীয় ভেটি। ইয়াৰ মাজত থাকিয়েই ৰাজনৈতিক সমাজৰ সদস্যসকল কিছুমান বাধ্যবাধকতাৰে (obligation) বান্ধ খাই থাকে। নাগৰিক হিচাপে পৰস্পৰৰঅধিকাৰৰ প্ৰতি স্বীকৃতিৰ পৰা এই দায়বদ্ধতাৰ (obligations) জন্ম হয়। এটা জাতিৰ মানুহে সহ নাগৰিকসকলৰ (fellow member) প্ৰতি থকা দায়বদ্ধতা মানি ল'লেহে ই শক্তিশালী হয়। আমি আনকি এনেকৈও ক'ব পাৰো যে দায়বদ্ধতাৰ এই গাঁথনিৰ প্ৰতি স্বীকৃতিয়েই হৈছে জাতিৰ আনুগত্যৰ আটাইতকৈ শক্তিশালী পৰীক্ষা।

## উমৈহতীয়া ৰাজনৈতিক পৰিচয় (Common Political Identity)

বহুতে ক'ব খোজে যে ৰাষ্ট্ৰ আৰু সমাজৰ উমৈহতীয়া ৰাজনৈতিক দৃষ্টিভঙ্গী Vision জাতি হিচাবে মানুহক বান্ধি ৰাখিবলৈ যথেষ্ট নহয়। তাৰ বাবে উমৈহতীয়া সাংস্কৃতিক পৰিচয় যেনে— উমৈহতীয়া ভাষা বা উমৈহতীয়া বংশ পৰম্পৰাৰ আৱশ্যক। এই কথাত কোনো সন্দেহ নাই যে একে ভাষা ক'লে আমাৰ মাজত ভাব বিনিময় কৰা সহজ হয় আৰু একে অঞ্চলতে বাস কৰিলে কিছুমান উমৈহতীয়া বিশ্বাস আৰু সামাজিক অভ্যাস গঢ় লৈ উঠে। ঠিক সেইদৰে একে উৎসৱ-পাৰ্বণ পালন কৰিলে, একে প্ৰতীক ব্যৱহাৰ কৰিলে মানুহ একগোট হয়। অৱশ্যে ই গণতান্ত্ৰিক প্ৰমূল্য লৈ ভাবুকিৰ সৃষ্টি কৰিব পাৰে।

ইয়াৰ দুটা কাৰণ হ'ব পাৰে, প্ৰথম, আভ্যন্তৰীণভাৱে পৃথৰীৰ সকলো ধৰ্ম ইটো সিটোৰ পৰা পৃথক। সম্প্ৰদায়ৰ (Community) মাজত হোৱা আলোচনাৰ সহায়ত ইয়াৰ ক্ৰমবিকাশ হৈছে। ফলত প্ৰতিটো ধৰ্মতে বিভিন্ন পন্থাৰ (Sects) লোক থাকে আৰু ধৰ্মীয় পাঠ (text) আৰু ৰীতি নীতিৰ (norms) বিষয়ত তেওঁলোকে স্পষ্টভাৱে বিভাজিত। আমি এই পাৰ্থক্যবোৰ আওকান কৰি উমৈহতীয়া ধৰ্মৰ ভিত্তিত বলপূৰ্বক পৰিচয় (forge an identity) স্থাপন কৰিলে ই দমনমূলক আৰু শোষণমূলক সমাজ এখন সৃষ্টি কৰাৰ সম্ভাৱনা আছে। দ্বিতীয়তে, বেছিভাগ সমাজেই সাংস্কৃতিকভাৱে ভিন্ন। একে ভূখণ্ডত বিভিন্ন ধৰ্ম আৰু ভাষাভাষী ব্যক্তি বাস কৰে। এখন বিশেষ ৰাষ্ট্ৰৰ সদস্য হ'বলৈ একে ধৰ্ম বা ভাষাৰ চৰ্ত আৰোপ কৰিলে কিছুমান মানুহ নাগৰিকত্বৰ পৰা বঞ্চিত হ'ব।

এইদৰে বাদ পৰি যোৱা গোটটোৰ বা ৰাষ্ট্ৰীয় ভাষা নোকোৱা গোটটোৰ ধৰ্মীয় স্বাধীনতা ক্ষুণ্ণ হ'ব পাৰে। সকলোৰে বৱে সমব্যৱহাৰ আৰু স্বাধীনতা এই গণতান্ত্ৰিক প্ৰমূল্যও ইয়াৰ দ্বাৰা ব্যাহত হ'ব। এতেকে জাতিক ৰাজনৈতিক ৰূপত কল্পনা কৰাটোহে বাঞ্ছনীয়। অৰ্থাৎ গণতন্ত্ৰই কোনো এক বিশেষ ধৰ্ম, জাতি বা ভাষাতকৈ সাংবিধানিক প্ৰমূল্যসমূহৰ ওপৰতহে বেছি গুৰুত্ব দিয়া উচিত।

ওপৰত আমি জাতিসমূহে সামূহিক পৰিচয়ৰ ধাৰণা কিদৰে প্ৰকাশ কৰে তাৰে কিছুমান স্থিতি নিৰ্ণয় কৰিলোঁ। গণতান্ত্ৰিক ৰাষ্ট্ৰবোৰে কিয় উমৈহতীয়া ৰাজনৈতিক আদৰ্শক ভিত্তি কৰি এই পৰিচয় গঢ়িব লাগে সেয়াও জানিলোঁ। কিন্তু মানুহে নিজকে জাতি বুলি কিয় ভাবে সেইকথা জানিবলৈ আমাৰ এতিয়াও বাকী আছে। জাতিসমূহৰ আশা আকাংক্ষাবোৰেই বা কি? আমি এতিয়া সেইবোৰ প্ৰশ্নৰ উত্তৰ বিচাৰিম।


### ৭.৩ জাতীয় আত্ম নিয়ন্ত্ৰণ (National Self Determination)

অন্যান্য সামাজিক গোটৰ বিপৰীতে, জাতিয়ে আত্ম নিয়ন্ত্ৰণৰ অধিকাৰ আৰু তেওঁলোকৰ ভৱিষৎ প্ৰগতি নিজে নিৰ্ধাৰণ কৰিব বিচাৰে। আন কথাত, তেওঁলোকে স্ব-নিয়ন্ত্ৰণৰ অধিকাৰ বিচাৰে। ইয়াকে কৰোঁতে জাতিয়ে সুকীয়া ৰাজনৈতিক অস্তিত্ব (entity) বা ৰাষ্ট্ৰ হিচাবে আন্তৰ্জাতিক সমাজৰ পৰা স্বীকৃতি বিচাৰে। প্ৰায়ে বহুদিন

ধৰি একে ঠাইতে থকা আৰু উমৈহতীয়া পৰিচয় থকা কিছুমান মানুহৰ পৰা এনে দাবী আছে। কিছুমান ক্ষেত্ৰত আত্ম নিয়ন্ত্ৰণৰ এনে দাবীৰ লগত ৰাষ্ট্ৰ প্ৰতিষ্ঠা কৰাৰ ইচ্ছাও থাকে। ই ৰাষ্ট্ৰ স্থাপন কৰিব খোজা গোটটোৰ সংস্কৃতিক বিশেষ মৰ্যদা নিদিলেও সুৰক্ষা দিয়ে।

১৯ শতিকাৰ ইউৰোপ মহাদেশত এই পিছৰটো দাবী সঘনে কৰা হৈছিল। সেই সময়ত এক সংস্কৃতি এক ৰাষ্ট্ৰৰ ধাৰণাই প্ৰসাৰ লাভ কৰিছিল। প্ৰথম বিশ্বযুদ্ধৰ পিছত ৰাষ্ট্ৰ পুনৰ গঠন কৰোঁতে এক সংস্কৃতি এক ৰাষ্ট্ৰৰ ধাৰণাটো প্ৰয়োগ কৰা হৈছিল। ভাৰ্চাই সন্ধিৰ (Treaty of versailles) ফলত কেবাখনো ক্ষুদ্ৰ স্বাধীন ৰাষ্ট্ৰৰ জন্ম হৈছিল। কিন্তু সেই সময়ত আত্ম নিয়ন্ত্ৰণৰ বাবে কৰা সকলোবোৰ দাবী পূৰণ কৰা অসম্ভৱ হৈ পৰিছিল। তাৰোপৰি এক সংস্কৃতি এক ৰাষ্ট্ৰ নীতিক ভিত্তি কৰি ৰাষ্ট্ৰৰ সীমা নিৰ্ধাৰণ কৰিবলৈ যাওঁতে বিভিন্ন ৰাষ্ট্ৰৰ মাজত ব্যাপক জন প্ৰব্ৰজন হৈছিল যাৰ ফলত লাখ লাখ মানুহে নিজৰ গৃহভূমি হেৰুৱাই পুৰুষানুক্ৰমে ভোগ কৰি থকা মাটি সম্পত্তিৰ পৰা বহিষ্কৃত হৈছিল। আন বহুতো লোকে সাম্প্ৰদায়িক হিংসাৰ বলি হৈছিল।

**বাস্কত (Basque) জাতীয় স্ব নিয়ন্ত্ৰনৰ দাবী (Demand for National Self Determination in Basique)**



বিশ্বৰ বিভিন্ন অংশত জাতীয় পুনৰ্নিধাৰণৰ দাবী উত্থাপন হৈ আহিছে। স্পেইনৰ Basque নামৰ শক্তিশালী পাহাৰুৱা আঞ্চলটো হ'ল তেনে এটা উদাহৰণ। স্পেইনৰ চৰকাৰে ইয়াক যুক্তৰাষ্ট্ৰৰ ভিতৰৰে এটা স্বায়ত্বশাসিত অঞ্চল হিচাবে স্বীকৃতি দিছে। কিন্তু বাস্ক জাতীয়তাবাদী আন্দোলনৰ নেতাসকল ইয়াৰ দ্বাৰা সন্তুষ্ট নহয়। তেওঁলোকে এই অঞ্চলক লৈ এখন সুকীয়া দেশ গঠন কৰিব বিচাৰে। এই আন্দোলনৰ সমৰ্থকসকলে

সাংবিধানিকভাৱে আৰু কিছুদিনৰ আগলৈকে হিংসাৰ সহায়ত এই দাবী পূৰণ কৰিব বিচাৰিছে।

বাস্ক্ জাতীয়তাবাদী সকলে কয় যে স্পেইনৰ সংস্কৃতিতকৈ তেওঁলোকৰ সংস্কৃতি বহুত বেলেগ। তেওঁলোকৰ নিজৰ ভাষা আছে যি স্পেইনৰ ভাষাতকৈ সম্পূৰ্ণ বেলেগ। বাস্ক অঞ্চলৰ মাথোন ১/৩ মানুহে স্পেনিছ ভাষা বুজি পায়। বাস্কৰ পাহৰুৱা ভূখণ্ডই ভৌগোলিকভাৱে ইয়াক স্পেইনৰ বাকী অংশৰ পৰা পৃথক কৰি ৰাখিছে। ৰোমান সকলৰ দিনৰ পৰাই Basque অঞ্চলে কেতিয়াও স্পেনিচ শাসকৰ ওচৰত আত্মসমৰ্পন কৰা নাই। ইয়াৰ নিজস্ব ন্যায় ব্যৱস্থা, প্ৰশাসনিক আৰু বিত্তীয় ব্যৱস্থা আছে।

আধুনিক বাস্ক্ জাতীয়তাবাদী আন্দোলন আৰম্ভ হৈছিল ১৯শ শতিকাৰ শেষৰ ফালে যেতিয়া স্পেনিচ শাসকসকলে এই একক ৰাজনৈতিক প্ৰশাসনিক ব্যৱস্থা লোপ কৰিব বিচাৰিছিল। কুৰি শতিকাত স্পেনিচ একনায়ক ফ্ৰাঙ্কোঁএ এই স্বায়ত্ব শাসনৰ পৰিমাণ আৰু কমাই দিছিল। তেওঁ ৰাজহুৱা স্থানত আৰু আনকি ঘৰতো বাস্ক্ ভাষাৰ ব্যৱহাৰ নিষিদ্ধ কৰি দিছিল। বৰ্তমান অৱশ্যে এই দমনমূলক ব্যৱস্থাসমূহ উঠাই লোৱা হৈছে। কিন্তু বাস্ক্ আন্দোলনৰ নেতাসকল স্পেনিচ চৰকাৰৰ উদ্দেশ্য সম্পৰ্কত এতিয়াও সন্দিহান আৰু তেওঁলোকৰ অঞ্চলত 'বহিৰাগত'ৰ প্ৰৱেশৰ বাবে ভীতিগ্ৰস্ত। তেওঁলোকৰ বিৰোধীসকলে কয় যে বাস্ক্ বিচ্ছিন্নতাবাদী সকলে এটা সমাধান হৈ যোৱা বিষয়ৰ পৰা ৰাজনৈতিক লাভ আদায় কৰিব বিচাৰিছে। তোমালোকে বাস্ক্ জাতীয়তাবাদীসকলে কৰা সুকীয়া জাতিৰ দাবী যুক্তিসঙ্গত বুলি ভাবানে? বাস্ক সকলক জাতি বুলি কব পৰা যায়নে? এই প্ৰশ্নৰ উত্তৰ দিবলৈ সমৰ্থ হোৱাৰ আগতে তোমালোকে কি জানিব বিচাৰিবা? পৃথিৱীৰ আন কৰবাত এনে হৈছে বুলি তুমি ভাবানে? আমাৰ দেশত এনে দাবী কৰা অঞ্চল আৰু গোট (group) ৰ বিষয়ে তুমি কিবা জানা নেকি?

source : www.wikipedia.org

সাংস্কৃতিক ভিত্তিত জাতীয় ৰাষ্ট্ৰ গঠন কৰিবলৈ যাওঁতে মানৱতাই বহুতো মূল্য ভৰিব লগা হৈছিল। তাৰোপৰি, এই ক্ষেত্ৰতো নতুনকৈ গঠন কৰা ৰাষ্ট্ৰসমূহত কেৱল এটাই জনগোষ্ঠী (Ethnic Community) থকাটো সুনিশ্চিত কৰা সম্ভৱ নাছিল। এইটো সচাঁ যে বেছিভাগ ৰাষ্ট্ৰতে একাধিক নৃ-গোষ্ঠীয় ethnic আৰু সাংস্কৃতিক সম্প্ৰদায় Community থাকে। সংখ্যাত কম এই সম্প্ৰদায় Community বোৰ

সংখ্যালঘু আৰু প্ৰায়ে পিছপৰা আছিল। সেয়ে সংখ্যালঘুসকলক সমান নাগৰিকৰ মৰ্যদা দিয়াৰ সমস্যাটো থাকি গৈছিল। এই ঘটনাবিলাকৰ পৰা এটাই লাভ হৈছিল যে নিজকে সুকীয়া জাতি বুলি ভবা আৰু স্বায়ত্ব শাসনৰ দ্বাৰা নিজৰ ভৱিষৎ গঢ়িব বিচৰা গোটসমূহে ৰাজনৈতিক স্বীকৃতি লাভ কৰিছিল।

এচিয়া আৰু আফ্ৰিকা মহাদেশত ঔপনিবেশিক শোষণৰ পৰা মুক্তি বিচাৰি কৰা আন্দোলনেও জাতীয় আত্ম নিয়ন্ত্ৰণৰ অধিকাৰ সাব্যস্ত কৰিছিল। জাতীয়তাবাদী আন্দোলনকাৰীসকলে বিশ্বাস কৰিছিল যে ৰাজনৈতিক স্বাধীনতাই তেওঁলোকক স্বীকৃতি আৰু মৰ্যদা প্ৰদান কৰাৰ উপৰিও তেওঁলোকৰ জনসাধাৰণৰ সামূহিক স্বাৰ্থক সুৰক্ষা দিব। বেছিভাগ জাতীয় মুক্তি আন্দোলন জাতিক ন্যায়, অধিকাৰ আৰু সমৃদ্ধি দিয়াৰ লক্ষ্যৰে অনুপ্ৰাণিত হৈছিল। অৱশ্যে এই ক্ষেত্ৰতো প্ৰতিটো সাংস্কৃতিক গোটে, যাৰ কিছুমানে সুকীয়া জাতি বুলি দাবী কৰিছিল, ৰাজনৈতিক স্বতন্ত্ৰতা আৰু ৰাষ্ট্ৰত্ব লাভ কৰাটো অসম্ভৱ আছিল। ফলস্বৰূপে জনপ্ৰব্ৰজন, সীমা যুদ্ধ (forder wars) আৰু হিংসাই অঞ্চলটোৰ বহু দেশক ভাৰাক্ৰান্ত কৰি ৰাখিছে। গতিকে জাতীয় ৰাষ্ট্ৰসমূহৰ বিৰুদ্ধ স্থিতি (paradoxical situation) এটাত আমি উপনীত হওঁ, সংগ্ৰাম কৰি স্বাধীনতা লাভ কৰা এই জাতীয় ৰাষ্ট্ৰবোৰে নিজৰে ভূখণ্ডত থকা স্বায়ত্ব শাসন বিচৰা সংখ্যালঘূসকলৰ বিৰুদ্ধে থিয় দিয়া দেখা যায়।

প্ৰকৃততে বৰ্তমান বিশ্বৰ প্ৰতিখন ৰাষ্ট্ৰতে আত্মনিয়ন্ত্ৰণ আন্দোলনৰ সম্মুখীন কেনেকৈ হ'ব পৰা যায় তাৰ বাবে দোধোৰ মোধোৰ অৱস্থাৰ (dilemma) সৃষ্টি হৈছে আৰু ই জাতীয় স্ব নিয়ন্ত্ৰন অধিকাৰৰ সম্পৰ্কতে প্ৰশ্ন তুলিছে। বেছিভাগ মানুহে নতুন ৰাষ্ট্ৰৰ সমস্যা সমাধান কৰাতকৈ প্ৰচলিত ৰাষ্ট্ৰসমূহ বেছি গনতান্ত্ৰিক আৰু সমভাবাপন্ন (equal) কৰি তুলিলেহে সমস্যাৰ সমাধান হব বুলি বিশ্বাস কৰিবলৈ লৈছে। অৰ্থাৎ বিভিন্ন সাংস্কৃতিক আৰু গোষ্ঠীগত পৰিচয় (ethnic identities) থকা মানুহে অংশীদাৰ (partner) হিচাপে আৰু সমান নাগৰিক হিচাবে সহাৱস্থান কৰিব লাগিব। ই যে কেৱল আত্ম নিয়ন্ত্ৰণৰ দাবী উত্থাপনৰ পৰা উদ্ভৱ হোৱা সমস্যাকে সমাধান কৰিব এনে নহয়, এখন শক্তিশালী আৰু ঐক্যবদ্ধ ৰাষ্ট্ৰও গঠন কৰিব। সৰ্বোপৰি (after all) ৰাষ্ট্ৰত থকা সংখ্যালঘুসকলৰ

সাংস্কৃতিক অস্তিত্বক সন্মান নকৰিলে জাতীয় ৰাষ্ট্ৰত সদস্যসকলৰ আনুগত্য লাভ কৰা কঠিন হব।

**আমি কৰো আহা**

ভাৰত আৰু বিদেশত আত্ম নিয়ন্ত্ৰণৰ অধিকাৰ দাবী কৰা বিভিন্ন গোটৰ Clippings কাটি উলিওৱা। তলত দিয়া বিষয়বোৰ বিবেচনা কৰা ঃ

- এই দাবী বিলাক কিয় কৰা হৈছে?
- তেওঁলোকে কি কৌশল অৱলম্বন কৰিছে?
- তেওঁলোকৰ দাবী যুক্তিসঙ্গত নে?
- ইয়াৰ সম্ভাব্য সমাধান কি হব পাৰে?

## ৭.৪ জাতীয়তাবাদ আৰু বহুত্ববাদ (Nationalism and pluralism)

এক সংস্কৃতি এক জাতিৰ ধাৰণাটো নাকচ কৰাৰ পাচত কেনেকৈনো এখন দেশৰ ভিতৰতে বিভিন্ন সংস্কৃতি আৰু সম্প্ৰদায় জীয়াই থাকি সমৃদ্ধি লাভ কৰিব পাৰে সেই কথা বিবেচনা কৰা উচিত। এই লক্ষ্য পূৰণৰ কাৰণে, বৰ্তমান বহুতো গণতান্ত্ৰিক দেশে তেওঁলোকৰ সীমাৰ ভিতৰতে থকা সম্প্ৰদায়ক স্বীকৃতি দিবলৈ আৰু তেওঁলোকৰ অস্তিত্বক সুৰক্ষা দিবলৈ ব্যৱস্থা গ্ৰহণ কৰিছে। ভাৰতীয় সংখ্যালঘুসকলৰ সুৰক্ষাৰ কাৰণে বহুতো ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

বিভিন্ন দেশৰ দলীয় অধিকাৰ (group right) বিলাকৰ ভিতৰত সংখ্যালঘু গোট বিলাকৰ ভাষা, সংস্কৃতি আৰু ধৰ্মৰ সাংবিধানিক সুৰক্ষাৰ বিষয়টোও অন্তৰ্ভুক্ত কৰা হৈছে। কেতিয়াবা স্বীকৃত সম্প্ৰদায় সমূহক ৰাষ্ট্ৰৰ বিধায়ীনি গোট বা আন অনুষ্ঠানত প্ৰতিনিধিত্বৰ অধিকাৰো দিয়া হয়। ই সংখ্যালঘু সকলক সমব্যৱহাৰ আৰু আইনৰ সুৰক্ষা দিয়াৰ উপৰিও তেওঁলোকৰ সাংস্কৃতিক বৈচিত্ৰ্যও ৰক্ষা কৰে। জাতীয় সম্প্ৰদায়ৰ অংশ হিচাপে সকলো গোটেই স্বীকৃতি পোৱা উচিত। ৰাষ্ট্ৰৰ সকলো সম্প্ৰদায়কে জাতীয় পৰিচয়ৰ স্বীকৃতি দিয়াৰ লগতে তেওঁলোকৰ গুৰুত্ব আৰু একক অবদানকো স্বীকৃতি দিব লাগিব।

এই ব্যৱস্থা বিলাকৰ দ্বাৰা সকলো শ্ৰেণীৰ লোকক সন্তুষ্ট কৰিব পৰা যাব বুলি আশা কৰা হৈছে যদিও সুকীয়া ৰাজ্যৰ দাবী উত্থাপন কৰা গোট তথাপিও ওলাব পাৰে। ইয়াক বিভ্ৰান্তিকৰ (paradoxical) যেন লাগে; কিয়নো বিশ্বত বৰ্তমান গোলকীকৰণ হৈছে যদিও জাতীয়তাবাদী আশা আকাংক্ষাই বহুতো গোট আৰু সম্প্ৰদায়ক এতিয়াও

প্ৰণোদিত (motivated) কৰে। গণতান্ত্ৰিক পদ্ধতিৰে এনে দাবীবোৰ পূৰণ কৰিবলৈ দেশসমূহক যথেষ্ট উদাৰতা (generosity) আৰু কৌশলৰ প্ৰয়োজন।


চমুকৈ ক'বলৈ গ'লে, আত্ম নিয়ন্ত্ৰণৰ অধিকাৰে প্ৰায়ে জাতীয়তা (Nationalities) বিলাকৰ স্বাধীন ৰাষ্ট্ৰৰ অধিকাৰ সামৰি লৈছিল। কিন্তু এনে প্ৰতিটো গোটকে স্বাধীন ৰাষ্ট্ৰ দিয়াটো অসম্ভৱেই নহয়, বোধকৰো অবাঞ্ছনীয়ও। ই এনে কিছুমান ক্ষুদ্ৰ ৰাষ্ট্ৰৰ জন্ম দিব যিবোৰ আৰ্থিক আৰু ৰাজনৈতিকভাৱে স্বাবলম্বী নহয় আৰু ই সংখ্যালঘুসকলৰ সমস্যা বহুগুণে বঢ়াই তুলিব। অধিকাৰক এতিয়া পুনৰ ব্যাখ্য কৰা হৈছে যাৰ দ্বাৰা জাতীয়তা (Nationalities) বিলাকক ৰাষ্ট্ৰৰ ভিতৰতে কিছুমান গণতান্ত্ৰিক অধিকাৰ দিয়া হৈছে।


আমি বাস কৰা পৃথিৱীখনৰ অস্তিত্বক দিয়া স্বীকৃতিৰ বিশেষ গুৰুত্ব আছে। দলীয় পৰিচয়ৰ (group identities) স্বীকৃতিৰ বাবে আমি বহুতো সংঘৰ্ষ দেখিবলৈ পাওঁ যাৰ বেচিভাগতে জাতীয়তাবাদৰ ভাষা সোমাই আছে। অস্তিত্বৰ দাবীক আমি স্বীকৃতি দিয়া উচিত যদিও ইয়াক আমি সমাজত বিভাজন আৰু হিংসা সৃষ্টি কৰিবলৈ দিব নালাগে। আমি মনত ৰাখিব লাগিব যে প্ৰতিজন ব্যক্তিৰে বহু পৰিচয় থাকে। যেনে— এজন মানুহৰ লিঙ্গ ভিত্তিক, জাতি ভিত্তিক, দল ভিত্তিক, ধৰ্ম, ভাষা বা আঞ্চলিক ভিত্তিক পৰিচয় থাকিব পাৰে আৰু তেওঁ এই সকলোৰে বাবে গৌৰৱ অনুভৱ কৰিব পাৰে। যেতিয়ালৈকে এজন ব্যক্তিৰ ব্যক্তিত্বৰ বিভিন্ন দিশ মুক্তভাৱে প্ৰকাশ কৰিব পাৰে, তেওঁলোকে ৰাষ্ট্ৰত ৰাজনৈতিক স্বীকৃতি আৰু যি কোনো এটা পৰিচয়ৰ বাবে ৰেহাইৰ দাবী কৰিব নিবিচাৰে।

গণতন্ত্ৰত নাগৰিকৰ ৰাজনৈতিক পৰিচয়ে মানুহৰ বিভিন্ন পৰিচয় সামৰি লোৱা উচিত। অসহিষ্ণু আৰু একজাতীয় (homogenizing) ধৰণৰ পৰিচয় আৰু জাতীয়তাবাদক গঢ় লৈ উঠিবলৈ দিলে ই বিপদজনক হব।

# ৰাজনৈতিক তত্ত্ব

## জাতীয়তাবাদৰ ৰবীন্দ্ৰ নাথে কৰা সমালোচনা (Tagore's critique of Nationalism)





‘দেশপ্ৰেম আমাৰ চুড়ান্ত আধ্যাত্মিক আশ্ৰয় হব নোৱাৰে; মই মানৱতাত বিশ্বাসী। মই হীৰাৰ দামত কাচ নিকিনো আৰু মই জীয়াই থকালৈকে দেশপ্ৰেমক মানৱতাৰ ওপৰত স্থান নিদিওঁ।’

এই কথাফাকি কৈছিল ৰবীন্দ্ৰ নাথ ঠাকুৰে। তেওঁ ঔপনিবেশিক শাসনৰ বিৰোধিতা কৰিছিল আৰু ভাৰতৰ স্বাধীনতাৰ অধিকাৰ সাব্যস্ত কৰিছিল। তেওঁ অনুভৱ কৰিছিল যে বৃটিছ সভ্যতাত যদিও মানবীয় মৰ্যদাক গুৰুত্ব দিয়া হয়, ইয়াৰ উপনিবেশ সমূহত কিন্তু এনে কৰা হোৱা নাই। ৰবীন্দ্ৰ নাথ ঠাকুৰে পাশ্চাত্য সাম্ৰাজ্যবাদৰ বিৰোধিতা কৰা আৰু পশ্চিমীয়া সভ্যতা বৰ্জন কৰাৰ মাজত পাৰ্থক্য দেখা পাইছিল। ভাৰতীয়সকলে নিজৰ ঐতিহ্য সংস্কৃতি সংৰক্ষণ কৰিব লাগে যদিও তেওঁলোকে বিদেশৰ পৰা মুক্তভাৱে শিকাত বাধা থাকিব নালাগে।

‘দেশপ্ৰেম’ৰ সমালোচনা তেওঁৰ লিখনীৰ এটা ধৰাবন্ধা (Pusistent) বিষয় আছিল। আমাৰ স্বাধীনতা আন্দোলনত সময়ে সময়ে প্ৰয়োগ হোৱা জাতীয়তাবাদৰ সঙ্কীৰ্ণ প্ৰকাশৰ তেওঁ অতি কঠোৰ সমালোচনা কৰিছিল। বিশেষকৈ তেওঁ ভয় কৰিছিল যে দেখাত ভাৰতীয় যেন লগা ঐতিহ্যৰ বাবে পাশ্চাত্যক অস্বীকাৰ কৰিলে ই যে কেৱল নিজৰেই সীমাবদ্ধতা আনিব এনে নহয়, ই আমাৰ দেশত থকা বিদেশী প্ৰভাৱ যেনে— খৃষ্ট ধৰ্ম Christianity gudaism Zoroas-trianism আৰু ইছলাম Islam ৰ প্ৰতি বিৰুদ্ধভাৱ সৃষ্টি কৰিব পাৰে।

# ? অনুশীলনী

১। ৰাষ্ট্ৰ আৰু অন্যান্য সামূহিক গোটৰ পাৰ্থক্য কি?

২। জাতীয় আত্ম নিৰ্ণয় বুলিলে তুমি কি বুজা? ই ৰাষ্ট্ৰ-ৰাজ্য কেনেদৰে নিৰ্মান কৰে আৰু সেইবোৰৰ বাবে কেনেদৰে প্ৰত্যহবান হয়?

৩। আমি দেখিছোঁ যে ৰাষ্ট্ৰবাদে মানুহক একগোট কৰিব যিদৰে পাৰে। বিভাজিত কৰিবও পাৰে। তেওঁলোকক মুক্ত কৰিবও পাৰে আৰু তেওঁলোকৰ মাজত সংঘৰ্ষৰো সৃষ্টি কৰিব পাৰে। উদাহৰণৰ সহায়ত বুজাই লিখা।

৪। জাতীয়তাবাদ গঠনৰ আহিলাবিলাক উদাহৰণ সহ ব্যাখ্যা কৰা।

৫। প্ৰাধিকাৰাঞ্চাতকৈ গণতন্ত্ৰই বেছি ভালদৰে সংঘৰ্ষৰত ৰাষ্ট্ৰবাদী আকাঙ্খাৰ সন্মুখীন হব পাৰে। কেনেকৈ?

৬। তোমাৰ মতে ৰাষ্ট্ৰবাদৰ সীমাবদ্ধতা কি?